২৭

Total No. of Printed Pages—3

**4 SEM TDC ASM MIL (A) 1**

**2014**

( May )

ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 401

**( অসমীয়া সাহিত্যৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) শঙ্কৰদেৱৰ বৰগীতসমূহৰ ভাষা কি?

(খ) বৰগীতক ইংৰাজীত Noble Numbers বুলি কোনে আখ্যা দিছিল?

(গ) হেমচন্দ্ৰ গোস্বামীৰ একমাত্ৰ কাব্য-সংকলনখনৰ নাম লিখাঁ।

(ঘ) মাধৱদেৱৰ একমাত্ৰ পূৰ্ণদৈৰ্ঘ্যৰ নাটখনিৰ নাম লিখাঁ।

(ঙ) 'অসম সংৰক্ষিণী সভা'ৰ জন্মদাতা কোন?

(চ) সত্যনাথ বৰাৰ গদ্যশৈলীক কোন গৰাকী ইংৰাজী গদ্যলেখকৰ গদ্যৰ লগত তুলনা কৰা হয় ?

(ছ) 'সাঁচিপাতৰ পুথি' কোন শ্ৰেণীৰ উপন্যাস ?

(জ) "গোটেই দিনটো এক আতংকই ৰাজধানী চহৰখন চুই গৈছিল।..." দীনেশচন্দ্ৰ গোস্বামীৰ প্ৰবন্ধটোত উল্লেখ কৰা আতংকটোৰ কাৰণ কি আছিল ?

(ঝ) 'জীৱন বৃত্ত' কাৰ আত্মজীৱনী ?

২। ব্যাখ্যা কৰাঁ (যি কোনো এছোৱা) : ৪

(ক) নতুন পুৱাৰ কেঁচা পোহৰত আশাৰ জুই।
আমাৰ চকুত তীখাৰ শাণ।

(খ) ই যে হীনতা, নীচতা, ভিকতা, দীনতা
জোকাৰি পেলোৱা ভাৱ,
ই যে এক ৰূপ-ৰসে, এক ৰঙে-চঙে
এক কৰি দিয়া ছাৱ।

৩। (ক) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰি 'শুন শুন ৰে সুৰ' বৰগীতটোৰ ভাৱাৰ্থ লিখাঁ। ৪+৮=১২

*অথবা*

(খ) 'এইটো নহয়' শীৰ্ষক কবিতাটোৰ জৰিয়তে অম্বিকাগিৰি ৰায়চৌধুৰীৰ বিপ্লৱী চেতনাৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰাঁ। ১২

৪। (ক) মহাপুৰুষ মাধৱদেৱৰ চমু পৰিচয় দাঙি ধৰি 'চোৰধৰা' ঝুমুৰাৰ মাজেদি ফুটি উঠা কৃষ্ণৰ দুতৰপীয়া চৰিত্ৰৰ বিষয়ে আলোচনা কৰাঁ। ৫+৭=১২

*অথবা*

(খ) 'চোৰধৰা' ঝুমুৰাৰ গীতসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১২

৫। সত্যনাথ বৰাৰ গদ্যৰীতিৰ এটি আভাস দাঙি ধৰি 'জীৱনৰ অমিয়া' পাঠটিৰ কথাবস্তু তোমাৰ নিজৰ কথাৰে লিখাঁ। ৪+৬=১০

৬। 'বৈজ্ঞানিক মানসিকতা গঠনৰ বাবে ...' শীৰ্ষক পাঠটিত বৰ্ণিত সূৰ্যগ্ৰহণ সম্পৰ্কীয় কথাখিনিৰ এটি বিশ্লেষণ দাঙি ধৰাঁ। ১০

৭। (ক) ভবেন্দ্ৰনাথ শইকীয়াৰ চুটিগল্পৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি 'এলান্ধু' গল্পটিৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৬+৬=১২

*অথবা*

(খ) 'উদংবাকচ' গল্পৰ তৰাদৈ চৰিত্ৰটোৰ বিশ্লেষণ দাঙি ধৰাঁ। ১২

৮। (ক) 'সাঁচিপাতৰ পুথি' উপন্যাসৰ যি কোনো দুটা চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ। ৬+৬=১২

*অথবা*

(খ) 'সাঁচিপাতৰ পুথি'ত তৎকালীন অসমৰ সমাজ-জীৱনৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰাঁ। ১২

★★★